**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-JUNE-2026
**Time :** 11.00 AM

**ASSAMESE 11 AM BULLETIN**

——————————————

নিৰ্বাচন আয়োগে কালি ৰাজ্যসভাৰ ২৭ খন আসনৰ দ্বিবাৰ্ষিক নিৰ্বাচন আৰু উপ-নিৰ্বাচনৰ লগতে তিনিখন ৰাজ্যৰ ৰাজ্যিক বিধান পৰিষদৰ নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰে। ইয়াৰ বাবে মনোনয়ন পত্ৰ জমা দিয়াৰ প্ৰক্ৰিয়া কালিৰেপৰা আৰম্ভ হৈছে।

উল্লেখযোগ্য যে দেশৰ ১০ খন ৰাজ্যৰ ২৪ খন ৰাজ্যসভাৰ আসনৰ বাবে দ্বিবাৰ্ষিক নিৰ্বাচন অনুষ্ঠিত হ'ব। মহাৰাষ্ট্ৰ, তামিলনাডু আৰু ওড়িশাত এখনকৈ আসনৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। বিহাৰ আৰু কৰ্ণাটকৰ বিধান পৰিষদৰ বাবে ক্ৰমে ৯ খন আৰু ৭ খন আসনৰ বাবে দ্বিবাৰ্ষিক নিৰ্বাচন অনুষ্ঠিত হ'ব। একেদৰে বিহাৰৰ এখন বিধান পৰিষদৰ আসনৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। নিৰ্বাচন আয়োগৰ তথ্যত প্ৰকাশ পোৱা মতে দ্বিবাৰ্ষিক আৰু উপ-নিৰ্বাচনৰ বাবে নিৰ্বাচন বিষয়া আৰু সহকাৰী নিৰ্বাচন বিষয়া নিযুক্তি দিয়া হৈছে। অহা ৮ জুনৰ বিয়লি ৩ বজালৈকে প্ৰাৰ্থীসকলে মনোনয়ন দাখিল কৰিব পাৰিব। ৯ জুনত মনোনয়ন পত্ৰ পৰীক্ষা কৰা হ'ব। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ শেষ দিন অহা ১১ জুন। ১৮ জুনৰ পুৱা ৮ বজাৰ পৰা বিয়লি ৪ বজালৈ ভোটদান হ'ব আৰু সেইদিনাই বিয়লি ৫ বজাৰ পৰা ভোটগণনা কৰা হ'ব।

০০০০০০

ৰাজ্যত অহা ২ আগষ্টত আৰম্ভ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে জিলাই জিলাই ইতিমধ্যে গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ চলি আছে। ডিব্ৰুগড় আৰু চিৰাং জিলাত কালিৰে পৰা আসন্ন লোকপিয়লৰ বাবে তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ অধীনত গৃহ তালিকা আৰু গৃহ পিয়লৰ ধাৰণা, পদ্ধতি আৰু কাৰ্যকৰী নিৰ্দেশনাৰ সৈতে বিষয়াসকলক পৰিচিত কৰাৰ উদ্দেশ্যে এই প্ৰশিক্ষণৰ আয়োজন কৰা হৈছে। ডিব্ৰুগড় জিলাত কালি অনুষ্ঠিত প্ৰশিক্ষণত জিলাখনৰ সম-জিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, ৰাজহ চক্ৰ বিষয়াকে ধৰি অন্যান্য বিষয়াসকলে অংশগ্ৰহণ কৰে। আনহাতে চিৰাং জিলাখনক ছটা লোকপিয়ল কেন্দ্ৰত বিভক্ত কৰা হৈছে। ইয়াৰে বিজনী, ছিদলী আৰু বেংতলে গ্ৰামাঞ্চলক সামৰি লোৱাৰ বিপৰীতে বিজনী, বাসুগাঁও আৰু কাজলগাঁৱে চহৰ অঞ্চলক সামৰি লৈছে।

উল্লেখযোগ্য যে ৰাজ্যত আসন্ন লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোকপিয়ল সঞ্চালকালয়ে সকলো ধৰণৰ প্ৰাৰম্ভিক প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ইয়াৰ বাবে ইতিমধ্যে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জন গণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্প ব্যৱস্থা কৰা হৈছে। লোকপিয়লত জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব।

০০০০০০

সমগ্ৰ শিক্ষা অসমে তৃতীয়ৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে নিয়মীয়া মান নিৰূপণ পৰীক্ষাৰ প্ৰথম পৰ্যায় অহা ৯ জুনৰ পৰা অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে। শৈক্ষিক বৰ্ষৰ আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ মূল্যায়নৰ লক্ষ্যৰে এই মূল্যায়ন অনুষ্ঠিত কৰি অহা হৈছে। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ ক্ষেত্ৰত হোৱা অসুবিধা

আৰু এইক্ষেত্ৰত ল'বলগীয়া ব্যৱস্থাসমূহ নিৰ্ধাৰণ কৰা হয়। সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালকে জাৰি কৰা অধিসূচনা অনুসৰি তৃতীয়ৰ পৰা পঞ্চম শ্ৰেণীলৈ ৯ জুনৰ পৰা ১২ জুনলৈ পৰীক্ষা অনুষ্ঠিত হোৱাৰ বিপৰীতে ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ ১৬ জুনত মান নিৰূপণ পৰীক্ষা অনুষ্ঠিত হ'ব।

০০০০০০

চি বি এছ ইৰ অধীনৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অফিচিয়েল অনলাইন প'ৰ্টেল অতি সোনকালে উপলব্ধ হ'ব। চি বি এছ ইৰ মূল ৱেবছাইটত এই অনলাইন প'ৰ্টেল মুকলি কৰা হ'ব বুলি বি বি এছ ই কৰ্তৃপক্ষই ঘোষণা কৰিছে। উল্লেখযোগ্য যে, ব'ৰ্ড পৰীক্ষাৰ নম্বৰত অসন্তুষ্ট ছাত্ৰ-ছাত্ৰীক উত্তৰ বহী পুনৰ পৰীক্ষা কৰাৰ সুযোগ প্ৰদান কৰাৰ বাবে কৰ্তৃপক্ষই যোৱা ২৬ মে'ত অনলাইন প'ৰ্টেল লাইভ হ'ব বুলি ঘোষণা কৰিছিল যদিও কাৰিকৰী বিজুতীৰ বাবে এই সময়ত যোৱা ১ জুনলৈ বৃদ্ধি কৰা হৈছিল। অৱশ্যে এক জুনতো এনলাইন প'ৰ্টেলটো মুকলি কৰিব পৰা নগ'ল। সেয়েহে কৰ্তৃপক্ষই সোনকালেই অনলাইন প'ৰ্টেলটো মুকলি কৰা হ'ব বুলি ছাত্ৰ-ছাত্ৰীক নিশ্চিতি দিছে।

০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ হাৱাইপুৰ ৰে'লৱে ষ্টেচনৰ সমীপৰ  শিৱ আৰু কালি মন্দিৰত এজন অচিনাক্ত লোকে অগ্নি সংযোগ কৰাত মন্দিৰৰ ভিতৰত থকা আচবাবসমূহ ভস্মীভূত হয়। এই অগ্নিকাণ্ডত মন্দিৰৰ ভিতৰভাগত থকা পূজাৰ সামগ্ৰী আৰু শিৱ তথা কালিমূৰ্তি ভাগৰো যথেষ্ট ক্ষতিসাধন হয়। এই ঘটনাই অঞ্চলটোত ব্যাপক চাঞ্চল্য আৰু উত্তেজনাৰ সৃষ্টি কৰিছে। ৰাইজে অচিনাক্ত ব্যক্তিজনক মাইলু আৰক্ষীক গতাই দিয়ে। আৰক্ষীয়ে সোধপোছৰ বাবে লোকজনক আৰক্ষী থানালৈ নি জেৰা অব্যাহত ৰাখিছে।

০০০০০০

দৰং আৰক্ষীয়ে অবৈধ জুৱাৰ সৈতে জড়িত থকাৰ অভিযোগত জিলাখনৰ ধূলা থানাৰ অন্তৰ্গত বাইগৰমাৰী আৰু খাৰুপেটীয়া অঞ্চলত অভিযান চলাই তিনিজন অভিযুক্তক আটক কৰে। স্থানীয় লোকৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই হজৰত আলী, আমিৰ হুছেইন আৰু নুৰুল খানক আটক কৰে। চতুৰ্থ অভিযুক্তজন পলাই যাবলৈ সমৰ্থ হয়। আৰক্ষীয়ে ধৃত ব্যক্তি কেইজনক জেৰা কৰাৰ লগতে তদন্ত অব্যাহত ৰাখিছে।

০০০০০০

**সমাপ্ত**